6th Sem.

# মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ জাতীয় আন্দোলন ঃ
## এটি সম্যক আলোচনা

ভাৰতৰ জাতীয় কংগ্রেছৰ বুৰঞ্জীত মহাত্মা গান্ধীৰ আবিৰ্ভাৱ যুগান্তকাৰী ঘটনা। কংগ্রেছৰ এগৰাকী অ-বিসম্বাদী নেতাহিচাপে গান্ধীজীৰ স্বাধীনতা সংগ্ৰাম কৰাত অপৰীসীম অৱদান আছে। তিলকৰ মৃত্যুৰ পিছত সেই আসন পূৰণ কৰে গান্ধীজীয়ে।

১৮৬৯ চনৰ ১ অক্টোবৰত গুজৰাটৰ পোৰবন্দৰত জন্মগ্ৰহণ কৰা, মোহনদাস কৰমচাঁদ গান্দীয়ে স্কুলীয়া শিক্ষা ভাৰততে সাং কৰি বিলাতত আইন পঢ়িছিলগৈ। বিলাতৰ পৰা গান্ধী এদিন বেৰিষ্টাৰ পঢ়িবলৈ বিলাতলৈ যায়। তাতেই গান্ধীৰ ৰাজনৈতিক জীৱন আৰম্ভ হয়। তাত থকা ভাৰতীয় লোকৰ মৌলিক অধিকাৰৰ হকে মাত মাতি তেওঁৰ সৰ্বোত্তম ৰাজনৈতিক অস্ত্ৰ সত্যাগ্ৰহ আন্দোলনৰ পাতনি মেলে। গান্ধীজীৰ ৰাজনৈতিক দৰ্শনৰ মূল আদৰ্শ দুটা- সত্য আৰু অহিংসা। অহিংস আন্দোলন গান্ধীজীৰ এক অভিনৱ কাৰ্য্যসূচী আছিল। গান্ধীজীৰ দক্ষিন আফ্ৰিকাৰ সত্যাগ্ৰহ সংগ্ৰাম আধুনিক পৃথিৱীৰ মুক্তিকামী জনসাধাৰণৰ ইতিহাসৰ এক উল্লেখযোগ্য ইতিহাস।

১৯১৫ চনত গান্ধীজী পুনৰ ভাৰতলৈ আহে। তেওঁৰ উদেশ্য আছিল ভাৰতভূমি আৰু ভাৰতীয় জনগনৰ সেৱা কৰা। গান্ধীজীয়ে প্ৰথমে দেশখনৰ বিভিন্ন প্ৰান্তত ঘূৰি অৱস্থাৰ এক বুজ ল'লে। ১৯১৬ চনত আহমেদাবাদত সৰৰমতি আশ্ৰম প্ৰতিষ্টা কৰি গান্ধীজীয়ে তেওঁৰ অনুগামী সকলৰ সত্য আৰু অহিংসাৰ সেৱক হিচাপে গঢ়িতোলাৰ ব্ৰত গ্ৰহণ কৰে।

**গান্ধীৰ সত্যাগ্ৰহ ঃ**

চম্পাৰণৰ সত্যাগ্ৰহ ঃ

ভাৰতত গান্ধীজীৰ সত্যাগ্ৰহ আন্দোলনৰ প্ৰথম পাতনি মেলা হৈছিল বিহাৰৰ চম্পাৰাণ জিলাত (১৯১৭)। সেই সময়ত তাত নীলখেতিৰ মালিক বিলাতী চাহাবৰ অত্যাচাৰত ভাৰতীয় শ্ৰমিক খেতিয়কৰ দুখ কুলাই-পাচিয়ে নধৰা হৈছিল। বাবু ৰাজেন্দ্ৰ প্ৰসাদ, মাজহৰ-উল-ইচলাম, আচাৰ্য কৃপলানী আৰু মহাদেৱ দেশাইক লগত লৈ গান্ধীজী চম্পাৰনত উপস্থিত হয়গৈ। গান্ধীজীয়ে নীলবাগানৰ শ্ৰমিকৰ দুখ-দুৰ্দশাৰ অবসান ঘটাবলৈ সত্যাগ্ৰহ আন্দোলনৰ আঁচনি লয়। অতি শীঘ্ৰেই উক্ত সত্যাগ্ৰহ আন্দোলনৰ সুফল পোৱা গ'ল। শ্ৰমিকসকলৰ ওপৰত চলা অত্যাচাৰ বহু পৰিমানে শাম কাটিল। চম্পাৰন ভ্ৰমন কৰি গান্ধীজীয়ে ভাৰতীয় লোকৰ চৰম দৰিদ্ৰতাৰ এখন স্পষ্ট চিত্ৰ দেখা পায়। গতিকে কৌটি কৌটি দৰিদ্ৰ নাৰায়নৰ সেৱা কৰিবলৈ গান্ধীজী প্ৰতিশ্ৰুতি বদ্ধ হয়।

**আহমদাবাদৰ মিল ধৰ্মঘট ঃ**

১৯১৮ চনত আহমদাবাদৰ বস্ত্ৰ শিল্পৰ মিল মালিক আৰু শ্ৰমিকৰ মাজত বিৰোধৰ ফলত এক ধৰ্মঘট আৰম্ভ হয়। গান্ধীজীয়ে শ্ৰমিকসকলৰ দাবীৰ প্ৰতি সমৰ্থন জনাই আমৰন অনশনৰ কাৰ্য্যসূচী লোৱাত মিল মালিক সকলে শ্ৰমিকৰ বেতন ৩৫ শতাংশ বঢ়াবলৈ বাধ্য হয়। শোষণৰ বিৰুদ্ধে এয়া আছিল গান্ধীজীৰ আন এক বিজয় কাহিনী।

**খৈৰা জিলাৰ কৃষক আন্দোলন আৰু গান্ধীজী ঃ**

গুজৰাটৰ খৈৰা জিলাৰ কৃষক সকলে প্ৰৱল খৰাং বতৰ হোৱা স্বত্বেও ভূমি-ৰাজহ দিব লগা হোৱাত নানা বিলৈ বিপত্তিৰ সন্মুখীন হৈছিল। গান্ধীজীয়ে চৰ্দাৰ বল্লভভাই পেটেলৰ লগ লাগি খৈৰা জিলাৰ কৃষক সকলৰ সংগ্ৰাম পৰিচালনা কৰিবলৈ লোৱাত চৰকাৰ বিপাঙত পৰিল।

এই তিনিটা ঘটনাৰ মাজেদি গান্ধীজী ৰাজনৈতিক আন্দোলনৰ লগত নিবিড়ভাৱে জড়িত হৈ পৰে। দৰিদ্ৰ ভাৰত, জাতীয়তাবাদী ভাৰত, বিদ্ৰোহী ভাৰত এইতিনিখন চিত্ৰই গান্ধীজীৰ মনত দকৈ সাঁচ বহুৱাইছিল। সাম্প্ৰদায়িক ঐক্য অপৃশ্যতা দূৰীকৰণ আৰু মহিলাৰ মৰ্যদাৰ উন্নতিকৰণ এই তিনিটা গান্ধীৰ বাবে মৌলিক কথা আছিল।

১ম বিশ্বযুদ্ধৰ পিছত স্বায়ত্ব শাসন অস্বীকাৰ কৰা আৰু ৰাওলাট আইনঃ- ১৯১৮ চনৰ ১৮ নবেম্বৰৰ দিনা ইউৰোপত যুদ্ধ বিৰতি ঘোষিত হয়। ভাৰতবাসীয়ে এইবাৰ ইংৰাজ শাসন ব্যৱস্থাৰ ভিতৰতে এক বিৰাট পৰিৱৰ্তন আশা কৰিছিল। যুদ্ধকালিন দিনত ইংৰাজৰ প্ৰতিশ্ৰুতি অনুযায়ী স্বায়ত্ব শাসন লাভ কৰাৰ আশাত লক্ষাধিক ভাৰতবাসী বৃটিছ সাম্ৰাজ্য ৰক্ষাৰ্থে প্ৰাণ বিসৰ্জন দিছিল। কিন্তু যুদ্ধত জয়লাভ কৰাৰ পিছত ভাৰতবাসীয়ে পালে ৰাওলাট আইন যি আইনৰ সহায়ত বৃটিছ

চৰকাৰে ভাৰতৰ বিপ্লৱীসকলে চলোৱা আন্দোলন কঠোৰভাৱে দমন কৰিবলৈ চেষ্টা কৰে।

ৰাওলাট আইনৰ প্ৰতিবেদন প্ৰকাশ হোৱাৰ পিছত ভাৰতীয় সকলৰ ধৈৰ্য্যৰ সীমা পাৰ হ'ল। ইমান দিনে কংগ্ৰেছ আছিল শিক্ষিত, মধ্যবিত্ত শ্ৰেণীৰ মাজতেই আৱদ্ধ। ইংৰাজৰ স্বেচ্ছাচাৰীতাৰ ফলত এইবাৰ সমগ্ৰ ভাৰতবাসীৰ প্ৰতিধ্বনি হিচাপে প্ৰত্যক্ষ সংগ্ৰামৰ বাবে প্ৰস্তুত হয়।

সেয়েহে গান্ধীয়ে ভাৰতীয় জনসাধাৰণৰ জাতীয় চেতনাজোগাই তোলাত গুৰুত্ব দিছিল কিয়নো গন সংযোগৰ দ্বাৰা গণ আন্দোলনৰ সৃষ্টি কৰিব নোৱাৰিলে বিপ্লৱে কেতিয়াও সাফল্য লাভ কৰিব নোৱাৰে।

**সত্যাগ্ৰহ আন্দোলন ঃ**

গান্ধীজীয়ে ঘোষনা কৰিলে ৰাওলাট আইন ভাৰতবাসীৰ ন্যায় সংগত অধিকাৰ আৰু জন্মগত স্বাভাবিক স্বাধীনতাৰ পৰিপন্থী। গতিকে যেতিয়ালৈ এক অসংগত আৰু অপমান জনক আইন প্ৰত্যহিত নহ'ব সিমান দিনলৈ অধিক শান্তিপূৰ্ণভাৱে এই আইনৰ প্ৰয়োগত আইনক স্বীকাৰ নকৰি এনেকৈয়ে গান্ধীয়ে জাতীয় সংগ্ৰামৰ পথলৈ দ্ৰুত পদক্ষেপেৰে যাত্ৰা আৰম্ভ কৰে। এয়ে গান্ধীজীৰ সত্যাগ্ৰহ আন্দোলনৰ প্ৰথম আৱেদন।

**হৰতাল পালন ঃ**

১৯১৯ চনৰ ৬ এপ্ৰিল তাৰিখে সকলো ঠাইত হৰতাল পালন কৰিবলৈ গান্ধীয়ে আহ্বান জনাই। সেই হৰতালে পোন প্ৰথমবাৰৰ বাবে ভাৰতত ইংৰাজৰ মাজত এক বিশিষ্ট উন্মদনাৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। যান-বাহন চলাচল বন্ধ হয়। স্কুল, কলেজ, অচল হয় আৰু কাৰখানা আদিৰ শ্ৰমিক সকলে এই হৰতালত অংশগ্ৰহণ কৰি হৰতাল সাফল্য মণ্ডিত কৰে।

**অসহযোগ আন্দোলন আৰু গান্ধীজী ঃ**

১৯২০ চনৰ চেপ্তেম্বৰ মাহত লালা লাজপৎ ৰায়ৰ সভাপতিত্বত কলিকতা মহানগৰীত বহা ভাৰতীয় জাতীয় কংগ্ৰেছৰ মহাসভাৰ এক বিশেষ অধিবেশনত মহাত্মা গান্ধীয়ে কংগ্ৰেছৰ গতিধাৰাৰ আমূল পৰিবৰ্তনৰ সূচনা কৰে। অধিবেশনত গান্ধীজীয়ে চৰকাৰৰ লগত দেশৰ জনসাধৰণৰ অসহযোগ আন্দোলনৰ প্ৰস্তাৱ উত্থাপন কৰে। মহাত্মাজীৰ এই প্ৰস্তাৱ বিপুল ভোটাধিকাৰত গৃহীত হয়। ৰাওলাট আইন, জলিৱানৱালা বাগৰ হত্যাকাণ্ড আদি ঘটনাই গান্ধীজীৰ মনত গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

গান্ধাজীয়ে উত্থাপন কৰা অসহযোগ প্ৰস্তাৱৰ অৰ্থ হ'ল আৰোপিত শাসন ব্যৱস্থাৰ লগত সৰ্বতোপ্ৰকাৰে অসহযোগ কৰা। গান্ধীজীৰ আহ্বানত ভাৰতবাসীয়ে অসহযোগ মন্ত্ৰত দীক্ষা লাভ কৰে। সকলো ভাৰতীয় লোকে ইংৰাজে দিয়া উপাধি প্ৰত্যাখ্যান, অবৈতনিক চাকৰি আদি পদত্যাগ কৰে। গান্ধীজীয়ে অনশন আৰম্ভ কৰি গ্ৰেপ্তাৰ হয় আৰু জেলৰ পৰা মুক্তি লাভ কৰাৰ পাছত দেশৰ পৰা বিদেশীসকলক বহিষ্কাৰ কৰাত লাগে। হিন্দু-মুছলমানৰ একতাৰ ভাৱে এই অনশনে হিন্দু-মুছলামনৰ মাজত হিংসাত্মক ভাৱৰ বহু পৰিৰ্তন আনিছিল।

**গান্ধীজী আৰু চাইমন কমিচন ঃ**

ভাৰতৰ ভৱিষ্যত ৰাজনৈতিক ভাগ্য নিৰ্ধাৰণ কৰিবলৈ ব্ৰিটিছ চৰকাৰে ১৯২৭ চনৰ ৮ নবেম্বৰৰ দিনা চাৰজন চাইমনৰ নেতৃত্বত এখন কমিচন গঠন কৰে। ইয়াত ব্ৰিটিছে সকলো লোককে স্থান দিয়াৰ পৰিৱৰ্তে এজনো ভাৰতীয়ক স্থান দিয়া নাছিল। ভাৰতীয় লোকক স্থান নিদিয়াৰ ফলত গান্ধী আৰু তেওঁৰ নেতৃবৃন্দই চাইমন উভতি যোৱা ধ্বনিৰে উক্ত কমিচন খন উভতাই পঠালে।

**আইন-অমান্য আন্দোলন আৰু গান্ধীজী ঃ**

১৯৩০ চনত ২৬ জানুৱাৰীত "স্বাধীনতা সংকল্প গ্ৰহণ কৰাৰ লগে লগে ভাৰতৰ ৰাজনৈতিক জাগৰণৰ এক নতুন অধ্যয়ৰ সৃষ্টি হৈছিল। গান্ধীজীক পৰবৰ্তী আন্দোলনত বিস্তৃত কাৰ্য্যসূচী প্ৰস্তুত আৰু ঘোষনাৰ দায়িত্ব দিয়া হ'ল।

১৯২৯ চনত কংগ্ৰেছৰ লাহোৰ অধিবেশনত গান্ধীজীয়ে আইন-অমান্য প্ৰস্তাৱৰ সপক্ষে ব্যাখ্যা দাঙি ধৰে। ১৯৩০ চনৰ ৩০ জানুৱাৰীত 'ইয়ং ইণ্ডিয়' কাগজত চৰকাৰক উদ্দেশ্য কৰি গান্ধীজীয়ে এক 'এঘাৰ দফীয়া শাসন সংস্কাৰ'ৰ প্ৰস্তাৱ দাঙি ধৰে। তাতেই মাদকদ্ৰব্য বৰ্জন, বন্দীমুক্তি, খাজনা কমোৱা, উচ্চপদস্থ চৰকাৰী ব্যক্তিৰ দৰমহা কমোৱা, লোন কৰ বাতিল কৰাৰ দাবী আছিল। যদি চৰকাৰে উক্ত প্ৰস্তাৱবোৰ কাৰ্যকৰী কৰে তেনেহ'লে কংগ্ৰেছে আইন- অমান্য আন্দোলন প্ৰত্যাহাৰ কৰিব। কিন্তু বৃটিছ চৰকাৰে কোনো কামৰ সহাৰিকে নজনালে। গতিকে আইন অমান্য আন্দোলন অৱশ্যম্ভাৱী হৈ পৰে। এই আন্দোলনৰ প্ৰথম কাৰ্যসূচীয়েই আছিল লোন সত্যাগ্ৰহ। এই ঘটনা দাণ্ডী অভিযান বুলি খ্যাত।

**দাণ্ডী যাত্ৰা ঃ**

১৯৩০ চনৰ ১২ মাৰ্চত বিখ্যাত দাণ্ডী যাত্ৰা আৰম্ভ হয়। ৭৮ জন অনুগামীৰ হৈতে মহাত্মা গান্ধীয়ে সবৰমতী আশ্ৰমৰ পৰা খোজকাৰি ২৪০ মাইল আঁতৰৰ সাগৰৰ পাৰত অৱস্থিত দাণ্ডী নামৰ ঠাইত যাত্ৰা কাৰ্য্যসূচী লৈছিল। উদ্দেশ্য আছিল সাগৰৰ পানীৰপৰা বে-আইনীভাৱে অথচ প্ৰাকাশ্যভাৱে লোন প্ৰস্তুত কৰি আইন অমান্য কৰি দেখুওৱা আৰু লাগে লাগে

আৰম্ভ হৈছিল আইন অমান্য আন্দোলন।

গান্ধীজীয়ে সাম্রাজ্যবাদী আইন ভংগ কৰি সত্যাগ্ৰহ আন্দোলনত যোগদান কৰিবলৈ ভাৰতীয় ৰাইজক আহ্বান জনাইছিল। সেইমৰ্মে সমগ্ৰ দেশজুৰি আইন অমান্য আন্দোলন ভাৰত জুৰি বিয়পি পৰিছিল। কিন্তু গান্ধীজীয়ে ১৯৩১ চনত ৩ মাৰ্চ তৰিখে গান্ধী আৰু উইন চুক্তিমতে আইনঅমান্য আন্দোলন বন্ধ কৰে।

**গান্ধীজী আৰু ঘূৰনীয়া মেজমেল ঃ**

কংগ্ৰেছৰ প্ৰস্তৱ অনুযায়ী কংগ্ৰেছ মহাসভাই মহাত্মা গান্ধীক একমাত্ৰ কংগ্ৰেছ প্ৰতিনিধি হিচাপে লৈ দ্বিতীয় ঘূৰণীয়া মেজমেলত যোগদান কৰি ভাৰতৰ পূৰ্ব স্বাধীনতাৰ প্ৰতি কৰ্তৃত্ব দিছিল। এই সভাত সংখ্যালঘু সকলৰ দ্বাৰা তেওঁলোকৰ সম্প্ৰদায়ৰ স্বাৰ্থৰক্ষাৰ বাবে গুৰুত্ব দিছিল আৰু গান্ধীজীৰ উদ্দেশ্য সফল হ'ব নোৱাৰি হতাশ মনেৰে ভাৰতলৈ ঘূৰি আহে। এই মেলত গান্ধীয়ে সফল নোহোৱাৰ বাবে ১৯৩১ চনত ৩ ডিচেম্বৰ তাৰিখে পুনৰ মাজনিশা আইন অমান্য আন্দোলন ঘোষনা কৰে। ১৯৩২ চনৰ ৪ জানুৱাৰীত গান্ধীজীক আতক কৰি অনিৰ্দিষ্ট কালৰ বাবে কাৰাদণ্ড বিহা হয়। ১৯৩৪ চনলৈ আইন অমান্য আন্দোলন চলি থাকিলে। ইতিমধ্যে গান্ধীজী সক্ৰিয় ৰাজনীতিৰ পৰা আতৰি পৰে আৰু জেলৰ ভিতৰত আন্দোলন চলাই গৈছিল।

**গান্ধীজী আৰু ভাৰত ত্যাগ আন্দোলন ঃ**

১৯৪২ চনত বোম্বাইত বহা নিখিল ভাৰত কংগ্ৰেছ কমিতিয়ে মহাত্মা গান্ধীৰ নেতৃত্বত ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনৰ কাৰ্য্যসূচী গ্ৰহণ কৰে। এই আন্ধোলনত গান্ধীকে ধৰি আটাইবিলাক নেতাক গ্ৰেপ্তাৰ কৰে আৰু দেশৰ এক হিংসাত্মক পৰিবেশ গা কৰি উঠে। গান্ধীক ব্ৰিটিছে গ্ৰেপ্তাৰ কৰি জেলত আৱদ্ধ কৰি ৰাখিছিল যদিও তেওঁৰ উদ্যম আৰু স্বাধীনতা মনক বৃটিছে নিঃশেষ কৰিব পৰা নাছিল। জেলৰ ভিতৰৰ পৰা আন্দোলনৰ শ্লোগান গাই আন্দোলন খৰটকীয়া কৰে।

গান্ধীজীৰ সংগ্ৰাম কৌশল যে স্বকীয় বৈশিষ্ট পূৰ্ণ সেইকথা বহুবাৰ প্ৰমানিত হয়। ভাৰত ত্যাগৰ দাবী তোলাৰ অন্তৰালত গান্ধীজীয়ে এক অহিংস মুকলি বিদ্ৰোহ ঘোষনাৰ বিকল্প নাছিল বুলি পতিয়ন যায়। নেতৃত্ব স্থানীয় লোক সকলক গ্ৰেপ্তাৰ কৰাত সৰ্বভাৰতীয় নেতৃত্ব দিব পৰা ব্যক্তিৰ অভাৱ আৰু সু-পৰিকল্পিত কাৰ্য্যসূচী নোহোৱাকৈ নিৰস্ত্ৰ জনতাই সাম্ৰাজ্যবাদী চৰকাৰ এটাৰ বিশাল শক্তিৰ বিপক্ষে যুঁজিবলৈ গৈ এক অসীম দুঃসাহসীকতাৰহে পৰিচয় দিছিল বুলিব পাৰি।

কিন্তু মুছলীম লীগে জিন্নাৰ লগত সুকীয়া ৰাজ্যৰ দাবী কৰাত গান্ধীজীয়ে দুবাৰ আলোচনাত মিলিত হয়। ভাৰত বিভাজনত গান্ধীজীয়ে কোনো দিনে সন্মতি দিয়া নাছিল কিন্তু জিন্নাৰ মতগৰ্বী স্বভাৱৰ বাবে দেশ বিভাজন হ'ল।

**স্বাধীনতা লাভৰ পিছত গান্ধীজী ঃ**

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হ'ল। স্বাধীনতা দিৱসৰ প্ৰথম পুৱাত মহাত্মাগান্ধী দিল্লীত নাছিল। পূৰ্ববংগৰ নোৱাখালিত সাম্পদায়িক সংঘৰ্ষ বিধবস্ত জনতাৰ মাজত শান্তি প্ৰতিষ্ঠাৰ কামত গান্ধীজী ব্যস্ত আছিল। স্বাধীনতা দিৱস গান্ধীজীৰ বাবে এক নিৰানন্দ আৰু কৰুণ বেদনাসিক্ত মুহুৰ্তত পৰিণত হৈছিল। সাম্প্ৰদায়কতা বন্ধ কৰাৰ কঠোৰ আহ্বানেৰে গান্ধীজীয়ে ১৯৪৮ চনৰ ১২ জানুৱাৰীত আমৰণ অনশন আৰম্ভ কৰে। হিন্দু, মুছলমান, শিখ সকলোৱে প্ৰতিশ্ৰুতি দিয়াৰ পাছতহে গান্ধীজী অনশন ভংগ কৰে।

কিন্তু ভাৰত স্বাধীন হোৱাৰ পাঁচ মাহ পুৰ নহওঁতেই আততায়ীৰ গুলীত ১৯৪৮ চনত ৩০ জানুৱাৰীত নাথুৰাম গডচে নামৰ এজন লোকে গান্ধীজীক গুলিয়াই হত্যা কৰে।

**সামৰণি ঃ**

স্বাধীন ভাৰতৰ অন্যতম প্ৰতিষ্ঠাতা আছিল গান্ধীজী। ভাৰতীয় ৰাজনীতিত তেওঁ অভিনৱ কৌশলৰ অৱতাৰণা কৰি নতুন প্ৰাণৰ সঞ্চাৰ কৰিছিল। মানুহৰ অধিকাৰ লাভৰ সংগ্ৰামৰ অপৰাধত তেওঁ ১৭ বাৰ গ্ৰেপ্তাৰ আৰু ৮ বাৰ কাৰাবাস খাতিছিল। স্বৰাজৰ পথ, সত্যই যাৰ ঈশ্বৰ, যি অহিংসা মন্ত্ৰৰ দ্বাৰা ৪০ কৌটি নৰ-নাৰীৰ স্বাধীনতা অৰ্জন কৰিলে সেইজনেই আছিল মহামানৰ মহাত্মা গান্ধী। সেয়েহে ভাৰতৰ স্বাধীনতা আন্দোলনত গান্ধীৰ যোগদান আছিল অনন্য আৰু সেই সময়ছোৱাক "গান্ধীৰ মহাযুগ' বুলি কোৱা হয়। ❑


**প্ৰসঙ্গ-পুথি**

১। "An Advanced History of India" –
Majumdar, Roy Choudhury, Dutta.

২। "ভাৰতৰ ইতিহাস"- অধ্যক্ষ মৃদুপৱন গোস্বামী আৰু চেনেহী বেগম।